অধ্যায় ১ ঃ ঐতিহাসিক প্রেক্ষাপটত অসম

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ প্রাগ্‌জ্যোতিষপুৰ, কামৰূপ, অসম নামৰ উৎপত্তি
১.৪ অসমৰ ভৌগোলিক অৱস্থিতি
১.৫ অসমৰ জাতি-জনজাতিৰ নৃতাত্ত্বিক বিশ্লেষণ
১.৫.১ ভাৰতীয় মানুহৰ নৃ-গোষ্ঠীগত পৰিচয়
১.৫.২ অসমত জাতি গঠনৰ স্বৰূপ
১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৭ অধিক জানিবলৈ
১.৮ অগ্রগতিৰ খতিয়ান
১.৯ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- অসম নামৰ উৎপত্তি সম্পর্কে জ্ঞাত হ'ব
- ঐতিহাসিক আৰু ভৌগোলিক অৱস্থিতিৰ বিষয়ে আভাস লাভ কৰিব
- ভাৰতীয় মানুহৰ মাজত থকা নৃ-গোষ্ঠীয় প্রজাতিৰ বিষয়ে ধাৰণা লাভ কৰিব
- অসমীয়া জাতি গঠনৰ স্বৰূপৰ বিষয়ে বিস্তৃত ব্যাখ্যা আগবঢ়াব পাৰিব।

১.২ পৰিচয়

অসম ভাৰতৰ পূব প্রান্তত অৱস্থিত এখন ঠাই। অসমীয়া জাতি অতি প্রাচীন, কিন্তু 'অসম' নামটো অতি বেচি পুৰণি নহয়। অসমক আগতে 'কামৰূপ' আৰু 'প্রাগ্‌জ্যোতিষপুৰ'হে বোলা হৈছিল আৰু ইয়াৰ উল্লেখ বিভিন্ন পুৰণি মহাকাব্য, পুৰাণ আদিত পোৱা যায়। অসমীয়া জাতি অলেখ প্রজাতি-উপজাতিৰ সংমিশ্রণেৰে গঠিত। এনে সংমিশ্রণৰ ফলতেই অসমৰ জনগোষ্ঠীসমূহৰ মাজত এক সুকীয়া অৱয়ৱিক বৈশিষ্ট্য পৰিলক্ষিত হয়।

এই অধ্যায়টোত আমি 'অসম' নামৰ উৎপত্তি আৰু ইয়াৰ ভৌগোলিক অৱস্থিতিৰ বিষয়ে আলোচনা কৰিম। তদুপৰি অসমৰ জাতি-জনজাতিৰ নৃতাত্ত্বিক বিশ্লেষণো এই অধ্যায়টোত আগবঢ়োৱা হ'ব। অধ্যায়টো অধ্যয়ন কৰি আপুনি অসম সম্পর্কে সম্যক ধাৰণা লাভ কৰিব।

১.৩ প্রাগ্‌জ্যোতিষপুৰ, কামৰূপ আৰু অসম নামৰ উৎপত্তি

অসম, অসমীয়া জাতি তথা অসমীয়া ভাষা-সংস্কৃতি অতি প্রাচীন; কিন্তু 'অসম' নামৰ উৎপত্তি আহোমসকলৰ ৰাজত্বৰ পিছতহে হৈছে বুলি ইতিহাসবিদসকলে মন্তব্য কৰে। তাৰ আগতে এই ৰাজ্যখনক 'কামৰূপ' আৰু 'প্রাগ্‌জ্যোতিষপুৰ'হে বোলা হৈছিল।

'প্রাগ্' মানে পুৰণি আৰু 'জ্যোতিষ' মানে গ্রহ-নক্ষত্রৰ সম্বন্ধে অধ্যয়ন আৰু গৱেষণা কৰা। কোনো কোনো পণ্ডিতৰ মতে আজিৰ অসম বা উত্তৰ-পূর্বাঞ্চল, বঙ্গ, বিহাৰ আৰু উৰিষ্যাৰ কিছু অংশ জ্যোতিষ চর্চাৰ কেন্দ্র আছিল। হিন্দু শাস্ত্র *কালিকা পুৰাণ*ৰ মতে ব্রহ্মাই প্রথমে ইয়াত স্থিতি লৈ নক্ষত্র (জ্যোতিষ) সৃষ্টি কৰিছিল। সেই কাৰণে এই ঠাইৰ নাম প্রাগ্‌জ্যোতিষ হ'ল।

ড° বাণীকান্ত কাকতিৰ মতে 'প্রাগ্‌জ্যোতিষ' এটা আর্যকৃত নাম আৰু ইয়াক অষ্ট্রিক শব্দ 'পগৰ-জো-তিচ্' (অর্থ দীঘল পাহাৰেৰে আবৃত দেশ)-ৰ পৰা গ্রহণ কৰা হৈছে।

'প্রাগ্‌জ্যোতিষ' নামটোৰ বর্ণনা পুৰণি কাব্য, মহাকাব্য, প্রাচীন ইতিহাস, ভ্রমণকাৰীৰ টোকা, প্রত্নতাত্ত্বিক নির্দশন আদিৰ পৰা বিভিন্ন প্রকাৰে পোৱা যায়। খ্রীষ্টীয় প্রথম শতিকাতে ৰচনা হোৱা গ্রীক্ পুথি *পেৰিপ্লাছত* প্রাগ্‌জ্যোতিষপুৰৰ উল্লেখ আছে। ঠিক সেইদৰে কালিদাসৰ *ৰঘুবংশ*, বাণৰ *হর্ষচৰিত* আৰু *বৃহৎ সংহিতাত* প্রাগ্‌জ্যোতিষপুৰ আৰু কামৰূপৰ উল্লেখ আছে। *ৰামায়ণ* মহাকাব্যতো প্রাগ্‌জ্যোতিষপুৰৰ কথা আছে আৰু *মহাভাৰতৰ* উদ্যোগপর্ব আৰু দ্রোণ পর্বত প্রাগ্‌জ্যোতিষপুৰ আৰু ইয়াৰ ৰজা ভগদত্তৰ কথা পোৱা যায়। *ৰামায়ণ-মহাভাৰতৰ* পিছৰ কালৰ ৰচনা *কালিকাপুৰাণ, বিষ্ণুপুৰাণ, যোগিনীতন্ত্র* আদিতো কামৰূপ আৰু প্রাগ্‌জ্যোতিষপুৰৰ কথা পোৱা যায়। কৌটিল্যৰ *অর্থশাস্ত্রত* প্রাগ্‌জ্যোতিষ, কামৰূপ, লোহিত্য আদি দেশ আৰু ঠাইৰ নাম উল্লেখ আছে।

বহুতো পণ্ডিতে মত পোষণ কৰিছে যে প্রাগ্‌জ্যোতিষ আৰু কামৰূপ দুটা সমসাময়িক নাম। লিখিত তথ্যয়ো এই কথা সমর্থন কৰে। অন্যহাতে কিন্তু ড° নগেন্দ্র নাথ আচার্যৰ মতে 'প্রাগ্‌জ্যোতিষ' ৰাজ্যৰ নাম পিছৰ যুগত কামৰূপ হয়। এই কামৰূপ নামটোৰ ঐতিহাসিক তাৎপর্যৰ কথা খাটাংকৈ কোৱাটো সহজ নহয়। পৌৰাণিক যুগত ভাৰতীয় কিংবদন্তিত মহাদেৱৰ ক্রোধানলত ভস্ম হৈ এইখন দেশতে কাম-ভাবৰ অধিপতি দেৱতা কামদেৱে পুনৰ জীৱন (ৰূপ) লাভ কৰা আখ্যানৰ ভিত্তিত ৰাজ্যখন কামৰূপ নামে জনাজাত হ'ল। ড° বাণীকান্ত কাকতিৰ মতে কামৰূপ শব্দটো 'কামৰ্' আৰু 'প' দুটা অনার্য শব্দৰ সমষ্টি। 'কামৰ্' এজন দেৱতা আৰু 'প' মানে পর্বত। ইয়াৰ আদিম অধিবাসীসকলে 'কামৰ্' দেৱতাৰ পূজা কৰিছিল; সেয়ে কামৰূপ।

প্রাচীন সংস্কৃত সাহিত্যসমূহতো প্রাচীন অসমৰ বিষয়ে বিশদভাৱে বর্ণনা পোৱা যায়। *গোপন ব্রাহ্মত* কামৰূপ নামৰ উৎপত্তি আৰু শিৱৰ শাপত কামদেৱ ভস্ম হোৱাৰ কাহিনী বর্ণনা কৰা হৈছে। *কালিকা পুৰাণত* সতীৰ দেহৰ যোনি অংশৰ অৱস্থিতি কামাখ্যাত থকাৰ কথা বর্ণনা কৰিছে। বৌদ্ধ চর্যাপদসমূহ, *হৰগৌৰী সম্বাদ*, মুছলমানসকলৰ *তবাকৎ-ই-নাচাৰি* আৰু *ৰিয়াজ-উচ-চালাটিন* আদিত কামৰূপক 'কামৰুদ' হিচাপে বর্ণনা কৰিছে। চীনা পৰিব্রাজক ফাহিয়ান,

হিউ-ৱেন-চাঙৰ বর্ণনাত অসম দেশখনৰ নাম 'কামলোপ', 'কাম-ৰূ' আদি নামেৰে উল্লেখ আছে। কৰতোৱা নৈখনক হিউ-ৱেন-চাঙে 'কা-লো-টা' বুলি কৈছে। অসমত আৱিষ্কাৰ হোৱা প্রাৰম্ভিক মধ্যযুগৰ প্রায় কুৰিখন তাম্রলিপিয়েও বর্তমানৰ অসম ভূমিয়েই একালৰ প্রাগ্‌জ্যোতিষ, কামৰূপ বুলি নিশ্চিত কৰিছে। খ্রীঃ চতুর্থ শতিকাৰ সমুদ্রগুপ্তৰ বিখ্যাত 'এলাহবাদ স্তম্ভলিপি'ত কামৰূপ নামৰ উল্লেখ আছে আৰু এয়াই কামৰূপৰ নাম উল্লেখ থকা প্রাচীনতম প্রত্নতাত্ত্বিক নিদর্শন।

আহোম স্বর্গদেউসকলৰ দিনত ৰচনা হোৱা বুৰঞ্জী, ৱৈষ্ণৱীয় সাহিত্য আৰু চৰিতপুথিত কিন্তু কামৰূপ আৰু প্রাগ্‌জ্যোতিষপুৰৰ সলনি অচম, আচাম, অসম, আসাম, অহম, আহোম আদি শব্দ প্রচলন হ'বলৈ ধৰে। গতিকে 'অসম' নামৰ উৎপত্তি আহোমসকলৰ ৰাজত্বৰ সময়তেই হৈছিল আৰু পৰৱর্তী সময়ত অসম ব্রিটিছৰ অধীনলৈ যোৱাৰ পিছৰ পৰা আচাম আৰু আসাম এই শব্দ দুটাই সংঢালনিভাৱে প্রচলিত হ'বলৈ ধৰে; আৰু শেষত এই ভূমিখণ্ডক অসম আৰু ইয়াত বাস কৰা অধিবাসীসকলক অসমীয়া বোলা হ'ল। বহু সমালোচকে আচাম শব্দটোৰ মূল সংস্কৃত 'অসম' শব্দ বুলি ক'ব বিচাৰে যদিও সেয়া যে এক ভ্রান্ত ধাৰণাহে সেই কথা বিভিন্ন পণ্ডিতে আঙুলিয়াই দিছে আৰু যুক্তিপূর্ণভাৱে প্রতিপন্ন কৰিছে। শংকৰদেৱৰ লিখনিতেই 'অসম' শব্দটোৱে পোন প্রথমবাৰৰ বাবে লিখিত ৰূপ লাভ কৰে। *ভাগৱত* (অসম মুলুক ৰজক তুৰুক। /কুবাচ ম্লেচ্ছ চাণ্ডাল।। — *ভাগৱত* ২/৪/৪) আৰু *নামঘোষা*ত ইয়াৰ উল্লেখ আছে। অৱশ্যে এই প্রসংগত অসম শব্দটো আহোমসকলক বুজাবৰ বাবেহে ব্যৱহাৰ কৰিছিল। বাডেন পাৱেল নামৰ পণ্ডিতজনে 'হা-কাম্ব' শব্দৰ পৰা আচাম হৈছে বুলি ব্যক্ত কৰিছে। এই সম্পর্কে শৰৎ চন্দ্র ফুকনে মত পোষণ কৰে—"তাই-আহোমৰ নেতৃত্বত মধ্যযুগৰ অসমীয়াৰ সন্মিলিত প্রচেষ্টাত যি আচাম, আসাম নামৰ সৃষ্টি হ'ল, সি মূলতঃ তাই সকলৰ লগত জড়িত। শেহান্তৱত অদ্যপি হোৱা নৃতত্ত্ব, ভাষাতত্ত্ব, নামতত্ত্ব, ইতিহাসৰ অধ্যয়নৰ পটভূমিত ক'ব পাৰি যে খ্রীঃ ১৩ শতিকাৰ আৰম্ভণিতে থলুৱা বড়ো, কছাৰী, মৰাণ, বৰাহীসকলে— তাই বা শ্যাম, শানসকলে ন'কৈ গঢ় দিয়া ভূমিখণ্ডক উদ্দেশ্যি হা-শ্যাম বা হা-শাম বা হা-শান বা হ-চাম বোলাৰ পৰাই হা-শ্যাম> হা-শান> হাশ্যাম> হ-চাম> আ-শাম> আশাম> আচাম> আসাম> অসম হয়গৈ।" 'হা' মানে বড়ো ভাষাত মাটি বা ঠাই, শ্যাম বা শ্যান শব্দৰ অর্থ হৈছে টাই-শ্যাম জাতিৰ লোক। ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ মতে 'শান্' শব্দৰ পৰাই 'চাম' হ'ল আৰু 'চাম'ৰ পৰাই 'অচম' হ'ল। ড° প্রতাপ চন্দ্র চৌধুৰী আৰু ড° পদ্মেশ্বৰ গগৈৰ মতে 'হা-চাম'ৰ পৰাহে আসাম হৈছে। 'হা-চাম' মানে দ জলাশয় ভূমি। ড° বাণীকান্ত কাকতিৰ মতে অপৰাজেয় আৰু অদ্বিতীয় অর্থ বুজাবৰ বাবেহে 'আ-চাম' শব্দৰ জন্ম হৈছে। তদুপৰি টাই ভাষাত 'আ-খাম' মানে অপৰাজেয় স্বাধীন শাসক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পূৰণ কৰক —

(ক) প্রাক্‌জ্যোতিষ' শব্দটো পূর্বৰ ..... শব্দ 'পগৰ-জো-তিচ্'-ৰ পৰা গ্রহণ কৰা হৈছে।

(খ) গ্রীক্ পুথি ..... ত প্রাগ্‌জ্যোতিষপুৰৰ নাম উল্লেখ আছে।

(গ) কৰতোৱা নৈখনক চীনা পৰিব্রাজক ..... 'কা-লা-টা' বুলি উল্লেখ কৰিছে।

(ঘ) 'অসম' নামৰ উৎপত্তি ..... ৰাজত্বৰ সময়তেই হৈছিল।

১.৪ অসমৰ ভৌগোলিক অৱস্থিতি

ভাৰত গণৰাজ্যৰ উত্তৰ-পূৱ অঞ্চলত অৱস্থিত অসম ৰাজ্যক উত্তৰ-পূৱ ভাৰতৰ কেন্দ্রভূমি বুলি গণ্য কৰা হয় আৰু ইয়ে উত্তৰ-পূৰ্বাঞ্চলৰ দুৱাৰমুখ। এই ৰাজ্যৰ বৰ্তমান মাটিকালি ৭৮,৪৩৮ বৰ্গ কিলোমিটাৰ। অসমৰ ভৌগোলিক অৱস্থিতি কেইবাখনো বিদেশী ৰাজ্যৰ মাজত। উত্তৰত তিব্বত অঞ্চল তথা চীন দেশ, পূৰ্বত আছে ম্যানমাৰ আৰু ইয়াৰ দক্ষিণ পশ্চিমত আছে বাংলাদেশ। এই ৰাজ্যখনৰ চৌপাশে থকা অৰুণাচল, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, মেঘালয় আৰু ত্রিপুৰা ব্রিটিছ শাসনাধীন কালত অবিভক্ত অসমৰ সৈতে সংশ্লিষ্ট আছিল।

১৯৬৩ চনৰ ১ ডিচেম্বৰত নাগালেণ্ড অসমৰ পৰা আঁতৰাই পৃথক ৰাজ্য গঠন কৰা হয়। ১৯৭০ চনৰ ২ এপ্রিলত মেঘালয় এখন স্বায়ত্ত শাসিত অঞ্চল হয় আৰু ইয়াৰ পিছত North Eastern Reorganisation Act of 1971-ৰ মতে ১৯৭২ চনৰ ২০ জানুৱাৰীত মেঘালয় এখন পূৰ্ণাঙ্গ ৰাজ্য স্বৰূপে স্বীকৃত হয়। লগতে এই আইন মতে মণিপুৰ আৰু ত্রিপুৰাও একোখন স্বতন্ত্র ৰাজ্য হয়। অৰুণাচল প্রদেশ আৰু মিজোৰাম ১৯৭২ চনৰ ২১ জানুৱাৰীত কেন্দ্রীয় শাসিত অঞ্চল হয় আৰু ১৯৮৭ চনত পূৰ্ণ পৰ্যায়ৰ ৰাজ্য বুলি ঘোষিত হয়।

ভৌগোলিক অৱস্থানৰ দৃষ্টিৰে চালে অসম ৰাজ্যখন উত্তৰ সমমণ্ডলত অৱস্থিত আৰু ইয়াৰ ভূভাগ পাহাৰ অৰণ্যৰে আবৃত আৰু জলভাগ নদী-নিজৰাৰে বিস্তৃত। অসমৰ চাৰিওফাল সেউজীয়া উচ্চ পৰ্বতমালাই বেৰি আছে। তদুপৰি অসমৰ পৰিসীমাৰ ভিতৰত অসংখ্য সৰু-বৰ পাহাৰ-পৰ্বত, নদ-নদী, জান-জুৰি আৰু হাবি-বননিবোৰ, বন-বিৰিখ, জীৱ-জন্তুৰে ভৰি আছে। ব্রহ্মপুত্র নদী তিৰ্ব্বতৰ পৰা ওলাই অসম, বাংলাদেশ আৰু পশ্চিম বংগৰ মাজেদি প্রবাহিত হৈ গংগাৰ সৈতে লগ লাগি বংগোপসাগৰত পৰিছে। বৰাক বা সুৰমা নদীত কাছাৰ জিলাৰ বৰাইল পাহাৰৰ পৰা ওলাই অসম-পশ্চিমবংগ হৈ ব্রহ্মপুত্রৰ সৈতে মিলি বঙ্গোপসাগৰত পৰিছে.

প্রাচীন অসম বুলিলে আমি আজিৰ বাংলাদেশ-বংগদেশ, উৰিষ্যা, বিহাৰ, নেপাল, ভূটান-ম্যানমাৰৰ একাংশ আৰু সমগ্র উত্তৰ-পূব ভাৰতৰ মানচিত্র কেইখনকেই ধৰা হয়। প্রাচীন অসমৰ সীমা বিভিন্ন সময়ত বঢ়া-টুটা হৈছিল।

মহাভাৰতৰ উদ্যোগ পৰ্ব আৰু দ্রোণ পৰ্বত সেইসময়ৰ প্রাগ্‌জ্যোতিষপুৰৰ ৰজা ভগদত্তৰ বিষয়ে উল্লেখ কৰোঁতে প্রাগ্‌জ্যোতিষপুৰ ৰাজ্যৰ যি বৰ্ণনা দিছে— সেই বৰ্ণনা মতে প্রাগ্‌জ্যোতিষপুৰৰ সীমা উত্তৰে হিমালয় পৰ্বতৰ নামনিলৈ, পশ্চিমে কৰতোৱা নদী আৰু দক্ষিণে বঙ্গোপসাগৰলৈ বিস্তৃত আছিল। *বিষ্ণুপুৰাণৰ* মতে কামাখ্যা মন্দিৰৰ চাৰিওফালে প্রায় ৪৫০ মাইল (১০০ যোজন) জুৰি প্রাচীন কামৰূপ দেশ বিয়পি আছিল। *পুৰাণতন্ত্র* মতে পশ্চিমে

কৰতোৱা বা তিস্তা নদীৰ পৰা পূবে দিকৰাই নদীলৈকে আৰু উত্তৰে নেপালৰ কাঞ্চনগিৰি (কাঞ্চনজঙঘা) পাহাৰৰ পৰা দক্ষিণে চট্টগ্ৰামৰ সাগৰ সংগমলৈকে বিস্তৃত প্ৰাগ্‌জ্যোতিষ— দীঘে এশযোজন বা আঠশ মাইল আৰু পুতলে ত্ৰিশ যোজন বা দুশ চল্লিশ মাইল পৰিসৰৰ ত্ৰিকোণাকাৰ ভূমি বুলি নিৰ্ণীত হৈছে। খ্ৰীষ্টীয় প্ৰথম শতিকাৰ *পেৰিপ্লাছ* নামৰ গ্ৰীক্ পুথিৰ বৰ্ণনা মতেও প্ৰাচীন প্ৰাগ্‌জ্যোতিষপুৰৰ সীমাত দক্ষিণ পশ্চিমে বঙ্গোপসাগৰ আৰু উত্তৰে নেপাল আৰু ভূটানৰ অংশ বিশেষ পৰ্যন্ত অন্তৰ্ভুক্ত হৈছিল। আনকি পশ্চিমে কৰতোৱা নৈৰ সিপাৰে কোশীলৈকে প্ৰাগ্‌জ্যোতিষপুৰৰ সীমা বিয়পি থকাৰ কথা জনা যায়।

ভাস্কৰবৰ্মাৰ নিধানপুৰৰ তাম্ৰশাসন, নেপালৰ ৰজা দ্বিতীয় জয়দেৱৰ প্ৰস্তৰ শাসন আৰু চীনা পৰিব্ৰাজক হিউৱেনচাঙৰ টোকাৰ পৰাও এই কথা জানিব পাৰি যে, খ্ৰীষ্টীয় সপ্তম শতিকাত প্ৰাচীন কামৰূপ বা প্ৰাগ্‌জ্যোতিষপুৰৰ সীমা অত্যন্ত বিস্তৃত হৈ পৰিছিল। বিশেষকৈ হিউৱেন চাঙৰ বিৱৰণীত উল্লেখ থকা মতে ভাস্কৰবৰ্মাৰ দিনত প্ৰাগ্‌জ্যোতিষপুৰৰ দক্ষিণ পূবৰ সীমাই চীনদেশ আৰু ব্ৰহ্মদেশৰ পাৰ্বত্য অঞ্চল পৰ্যন্ত চুইছিলগৈ।

উল্লিখিত তথ্যসমূহৰ উপৰি *কালিকা পুৰাণ, যোগিনীতন্ত্ৰ* আৰু *হৰগৌৰী সংবাদ* আদি পুথিয়েও প্ৰাচীন কামৰূপ বা প্ৰাগ্‌জ্যোতিষপুৰৰ সীমাৰ আভাস দিয়ে। *কালিকাপুৰাণৰ* মতে, প্ৰাচীন কামৰূপৰ আকৃতি তিনিকোণীয়া। এই তিনিকোণীয়া ৰাজ্যখনৰ দীঘ এশ যোজন আৰু পথালি ত্ৰিশ যোজন। ইয়াৰ সীমা পূবে দিক্কৰ বা দিক্ৰং নদী আৰু পশ্চিমে কৰতোৱা নদী পৰ্যন্ত বিস্তৃত।

প্ৰাচীন অসমৰ ভূমিখণ্ডৰ ভূ-তাত্ত্বিক গঠন প্ৰণালীত সৃষ্টি হোৱা আটাইতকৈ তলৰ শিলাখণ্ড মিলিয়েম গ্ৰেনাইট (Miliem Granite) প্ৰায় ৭৬০ মিলিয়ন বছৰ পূৰ্বৰ বুলি ভূতাত্ত্বিকসকলে ঠাৱৰ কৰিছে। বিভিন্ন অধ্যয়নে দেখুৱাইছে যে গোলাঘাট জিলাৰ দেৱগাঁৱৰ নেঘেৰিটিং অঞ্চলত পোৱা শিলাখণ্ডই অসমৰ পূৰ্বৰ প্ৰাক্-কেম্ব্ৰিয়ান (Pre-combrian) শিলাৰ শেষ সীমা। ইয়াৰ উপৰি তৈলক্ষেত্ৰসমূহৰ খননকাৰ্যৰ যোগেদি অতি সম্প্ৰতি পোৱা সমলে নিশ্চিত কৰা মতে এচাম প্ৰাচীন প্ৰাক্-কেম্ব্ৰিয়ান শিলা ডিব্ৰুগড় জিলাৰ টেঙাখাত আৰু ইয়াৰ অধিক পূবলৈ প্ৰসাৰিত হৈ আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

(ক) অসমৰ ভূমিখণ্ডত প্ৰাক্-কেম্ব্ৰিয়ান শিলাখণ্ড পোৱা গৈছে।

(খ) North Eastern Registration Act-1971-ৰ মতে নাগালেণ্ড অসমৰ পৰা আঁতৰি পৃথক ৰাজ্য গঠিত হয়।

(গ) ব্ৰহ্মপুত্ৰ নদী তিব্বতৰ পৰা ওলাই বংগোপ সাগৰত পৰিছে।

(ঘ) *পুৰাণতন্ত্ৰ* মতে, প্ৰাগ্‌জ্যোতিষপুৰ দীঘ এশযোজন আৰু পুতলে ত্ৰিশ যোজন পৰিসৰৰ ত্ৰিকোণাকাৰ ভূমি।

.....

১.৫ অসমৰ জাতি-জনজাতিৰ নৃতাত্ত্বিক বিশ্লেষণ

অসম বিভিন্ন জনগোষ্ঠীৰ বাসভূমি। অতি প্ৰাচীন কালতে বিভিন্ন ঠাইৰ জনগোষ্ঠী কিছুমানে কৃষিৰ উপযোগী ভূমি বিচাৰি বিভিন্ন ঠাই পৰিভ্ৰমণ কৰি আহি ব্ৰহ্মপুত্ৰ উপত্যকাৰ সাৱঁৰা অঞ্চলত উপস্থিত হয়। এনে দৰেই বিভিন্ন সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাত বহু জনগোষ্ঠীৰ সমাৱেশ ঘটিছিল আৰু এই বহু জনগোষ্ঠীৰ মিলন সংমিশ্ৰণৰ ফলতেই বৃহৎ অসমীয়া জাতিৰ সৃষ্টি হৈছিল। গাৰ বৰণ আৰু আৱয়ৱিক বৈশিষ্ট্যৰ ভেটিত পৃথিৱীৰ মানুহক চাৰিটা প্ৰধান নৃ-গোষ্ঠীত বিভক্ত কৰা হৈছে। সেয়া হৈছে— ককেছীয়, মংগোলীয়, নেগ্ৰিটো বা নিগ্ৰো আৰু অষ্ট্ৰেলীয়।

নৃতত্ত্বৰ ফালৰ পৰা চালে অসমীয়া জাতি-গঠন প্ৰক্ৰিয়াত তিনিটা মুখ্য প্ৰজাতিৰ লোকে অংশগ্ৰহণ কৰিছে। সেইকেইটা হ'ল— অষ্ট্ৰেলীয়, ককেছীয় আৰু মংগোলীয়। ভাৰতবৰ্ষত অষ্ট্ৰেলীয়ক প্ৰায়-অষ্ট্ৰেলীয়, প্ৰাক্-দ্ৰাবিড়, নিষাদ, ভেড্ডিড আদি বিভিন্ন নামেৰে জনা যায়। কোনো কোনো নৃতাত্ত্বিকে আকৌ অষ্ট্ৰেলীয়ক মুখ্য প্ৰজাতি বুলি স্বীকৃতি দিব নোখোজে; তেওঁলোকে ইয়াক ককেছীয়ৰ এটা প্ৰকাৰ বুলি গণ্য কৰি প্ৰত্ন-ককেছীয় বুলি অভিহিত কৰে। অসমীয়া জাতি প্ৰধানকৈ ককেছীয় প্ৰজাতিৰ লোকৰ দ্বাৰা গঠিত। ইয়াৰ লগতে মংগোলীয় প্ৰজাতিৰ বিভিন্ন প্ৰকাৰ মিলিত হৈছে। এইখিনিতে এটা কথা মন কৰিব লাগে যে অত্যন্ত সীমিত গোষ্ঠীগত জীৱন-যাপন কৰা জনসমষ্টিৰ বাহিৰে বাকী সকলোবোৰ সমষ্টিৰে মাজত তেজৰ সংমিশ্ৰণ ঘটাৰ ফলত মূল নৃগোষ্ঠীসমূহৰ নৃতাত্ত্বিক উপাদানসমূহ স্থিৰ অৱস্থাত ক'তো পাবলৈ নাই। অসমীয়া জাতিটো সেইবাবে ঘাইকৈ বৰ্ণসংকৰ ৰূপতেই পোৱা যায়।

১.৫.১ ভাৰতীয় মানুহৰ নৃ-গোষ্ঠীগত পৰিচয়

অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত প্ৰজাতিৰ অস্তিত্ব নিৰ্ধাৰণ কৰাৰ আগতে ভাৰতীয় মানুহৰ মাজত কোনকেইবিধ নৃ-গোষ্ঠীয় প্ৰজাতিয়ে স্বাক্ষৰ বহন কৰিছে তাক বিচাৰ কৰাটো সমীচিন হ'ব।

ড° বিৰজা শঙ্কৰ গুহই ভাৰতীয় মানুহৰ মূল ছয়টা নৃ-গোষ্ঠীগত বিভাগ তথা নটা উপশাখাত ভাগ কৰিছে। সেইসমূহ হ'ল—

১। নিগ্ৰো বা নেগ্ৰিটো (Negrits)

২। প্ৰায় অষ্ট্ৰেলীয় (Proto-Australoid)

৩। মংগোলীয় (Mongoloid)

(ক) প্ৰত্ন-মংগোলীয় (Paleo-Mongoloid)

(i) প্ৰশস্ত মস্তকী (Broad-readed)

(ii) দীৰ্ঘ মস্তকী (Long-headed)

(খ) তীব্বত-মংগোলীয় (Tribeto-Mongoloid)

৪। ভূমধ্যসাগৰীয় (Mediterrarear)

(ক) প্রত্ন-ভূমধ্যসাগৰীয় (Paleo-Mediterrarear)

(খ) ভূমধ্যসাগৰীয় (Mediterrarear)

(গ) প্রাচ্য (Oriental Type)

৫। পশ্চিমীয়া প্রশস্তমস্তকী (Western Brachycephal)

(ক) আলপাইন (Alpinoid)

(খ) ডিনাৰিক (Dinaric)

(গ) আৰ্মেনীয় (Armenoid)

৬। নাৰ্ডিক (Nordic)

শশাংক শেখৰ সৰকাৰে ভাৰতৰ নৃ-গোষ্ঠীক ছটা ভাগত ভাগ কৰিছে। সেইকেইটা হ'ল—

১। অষ্ট্রেলীয় (Australoid)

২। ইণ্ডো-আৰ্য (Indo-Aryan)

৩। ইৰাণোস্কাইথিয়ান (Irano-Schythiar)

৪। মুণ্ডাৰী ভাষী(Mundari-speaker)

৫। মালম-পলিনেছীয় (Malay-Polynesian or Far Eastern)

৬। মংগোলীয় (Mongoloid)

ৰিজ্‌লিয়ে ভাৰতীয়ক তলত দিয়াৰ দৰে ভাগ কৰিছে—

১। টুৰ্ক-ইৰাণীয়ান (Turko-Irarian)

২। ইণ্ড'-আৰ্য (Indo-Aryan)

৩। স্কাইথিঅ'-দ্রাবিড় (Schythio-Dravidian)

৪। আৰ্য-দ্রাবিড় (Aryo-Dravidian or Hindustari type)

৫। মংগোলীয়-দ্রাবিড় (Mongolo-Dravidian or Bengali type)

৬। মংগোলীয় (Mongoloid)

৭। দ্রাবিড় (Dravidian)



চিন্তা-চৰ্চা কৰক — ১.১

আপুনি আপোনাৰ বন্ধু-বান্ধৱী নাইবা ঘৰৰ ওচৰৰ পাঁচজন ব্যক্তিৰ নৃতাত্ত্বিক উপাদানসমূহ লক্ষ্য কৰি লিখি ৰাখক।

.....

.....

১.৫.২ অসমত জাতি গঠনৰ স্বৰূপ

অতি প্ৰাচীন কালত ভাৰতৰ মূল ভূমিখণ্ডৰ পৰা অসমলৈ প্ৰৱেশ কৰিবপৰা কিছুমান পথ আছিল। পণ্ডিতসকলৰ মতে পশ্চিমে ব্ৰহ্মপুত্ৰ আৰু গঙ্গা উপত্যকাৰ মাজেদি এটা পথ আছিল আৰু সেই পথেদিয়েই ককেছীয় নামৰ জনগোষ্ঠীৰ মানুহ আহি অসমত সোমাইছিল। উত্তৰফালে তিব্বত, নেপাল আৰু ভূটানৰ পৰা অসমলৈ কিছু গিৰিপথ আছিল আৰু এই গিৰিপথবোৰেদি মংগোলীয় জনগোষ্ঠীৰ মানুহ অসমত প্ৰৱেশ কৰিছিল। উত্তৰ-পূৰ্বৰ পাটকাই পৰ্বতৰ মাজৰ গিৰি পথবোৰেদিয়ে মংগোলীয় মানুহ আহি অসমত প্ৰবেশ কৰিছিল।

ভাৰতৰ আদিম অধিবাসী কোন সেই সম্বন্ধে পণ্ডিতসকলৰ মাজত মতানৈক্য আছে। বহু নৃতাত্ত্বিকৰ মতে অষ্ট্ৰেলীয় প্ৰজাতিৰ লোকসকলেই ভাৰতবৰ্ষৰ আদিম অধিবাসী। তেওঁলোকৰ বৰণ ক'লা, মূৰ দীঘল, নাক চেপেটা, চুলি ঢৌ খেলোৱা আৰু তাম বৰণীয়া, দাড়ি-গোফ ঘন, চেলাউৰি ডাঠ আৰু শৰীৰ চুটি চাপৰ। অষ্ট্ৰেলীয় প্ৰজাতিৰ এই অৱয়ৱিক উপাদান প্ৰাচীন ভাৰতবৰ্ষৰ চুকে-কোণে বিস্তাৰিত হৈ আছিল। গতিকে অসমৰো আদিম অধিবাসী অষ্ট্ৰেলীয় বুলি ক'ব পাৰি। অৱশ্যে সাম্প্ৰতিক কালত তেওঁলোকৰ প্ৰত্যক্ষ নৃতাত্ত্বিক উপাদান অসমত বা উত্তৰ-পূব অঞ্চলত দেখিবলৈ পোৱা নাযায়। কিন্তু নৃ-তাত্ত্বিক তথ্য অনুসৰি অসমৰ বড়ো আৰু কিছুমান নিম্ন বৰ্ণৰ জাতিৰ মাজত কিছুমান বিশেষ অষ্ট্ৰেলীয় উপাদান দেখা পোৱা যায়। সেয়েহে, নৃতাত্ত্বিক ভূৱনমোহন দাসে মত প্ৰকাশ কৰে যে, অসমৰ মানুহৰ জৈৱিক ভেটি ৰচনাত এই প্ৰজাতিৰ লোকৰ অৰিহণা অনস্বীকাৰ্য। পাছলৈ পিছত অহা অন্যান্য প্ৰজাতিৰ লোকৰ লগত অষ্ট্ৰেলীয় প্ৰজাতিৰ লোক সংমিশ্ৰিত হৈ পৰিল।

এইখিনিতে এটা কথা নিঃসন্দেহে ক'ব পৰা যায় যে, অসমৰ চাহ বাগিছাৰ বনুৱাসকলৰ এক বুজন অংশ অষ্ট্ৰেলীয় প্ৰজাতিৰ দ্বাৰা গঠিত। তেওঁলোকৰ বহুতে এতিয়াও সেই প্ৰজাতিৰ বৈশিষ্ট্য সংৰক্ষণ কৰি আছে। পিছে তেওঁলোক আধুনিক কালতহে অসমলৈ আহে।

ইয়াৰ পিছতে অসমীয়া মূল সুঁতিটোলৈ অৰিহণা আগবঢ়াই বিভিন্ন মংগোলীয় প্ৰজাতিয়ে। এওঁলোকৰ অৱয়ৱিক চৰিত্ৰৰ বৰ্ণনা সাধাৰণভাৱে এনেদৰে দিব পৰা যায়— গাৰ বৰণ পীত বা পিংগল, চুলি ক'লা আৰু থিয়, দাড়ি, গোঁফ তাকৰ, গাৰ নোম কম, মুখমণ্ডল বহল আৰু চেপেটা, মুখৰ হনু অঞ্চল বৰ স্পষ্ট, হেলনীয়া চকু, চকুত মংগোলীয় নেত্ৰচ্ছেদ ভাঁজ (Mongoloid fold) দেখা যায়।

অসমৰ জনজাতিসকল মূলতঃ মংগোলীয় প্ৰজাতিৰ লোক। মংগোলীয় গোষ্ঠীৰ এই জনজাতিসকলক ভাৰতত ইণ্ডো-মংগোলীয় (Indo-Mongoloid) বুলি আখ্যা দিয়া হয়। অসমত থকা কেইটামান উল্লেখনীয় ইণ্ডো-মংগোলীয় জনজাতি হ'ল

কছাৰী, ৰাভা, কাৰ্বি, তিৰা, মিচিং, দেউৰী ইত্যাদি।

বড়োসকল অসমৰ এটা প্ৰভাৱশালী জনজাতি। বড়ো প্ৰকৃততে এটা ভাষিক গোট। কিন্তু ইয়াক প্ৰায়ে নৃগোষ্ঠীয় জনসমষ্টি অৰ্থতো ব্যৱহাৰ কৰা হয়। ৰাভা, কছাৰী, গাৰো, হাজং, তিৰা, মেচ আদি জনজাতিসকল বৃহৎ বড়ো জনজাতিৰ অন্তৰ্ভুক্ত।

জনজাতিসকলৰ বাহিৰেও আন বহুতো জনসমষ্টি অসমত আছে। যিবোৰক মংগোলীয় প্ৰজাতিৰ বুলি ক'ব পাৰি। অসমৰ মানুহৰ এক বুজন ভাগ আহোমসকলৰ দ্বাৰা গঠিত। এওঁলোক মংগোলীয় প্ৰজাতিৰ লোক। খ্ৰীষ্টীয় তেৰশ শতিকাৰ প্ৰথম ভাগত আহোমসকল চীন দেশৰ দক্ষিণ অংশৰ পৰা ফালৰি কাটি আহি ব্ৰহ্মদেশৰ ইৰাৱতী নদী অতিক্ৰম কৰি উত্তৰ-পূবত থকা পাটকাই পৰ্বতৰ মাজৰ গিৰি পথেদি অসমত প্ৰৱেশ কৰে। তেওঁলোকে স্থানীয় লোকৰ লগত সম্বন্ধ স্থাপন কৰি অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। এওঁলোক বৰ্তমান উজনি অসমৰ বহুকেইখন জিলাত সিঁচৰতি হৈ আছে।

পৰৱৰ্তী কালত আহোমসকলৰ পাছতে অসমত প্ৰৱেশ কৰে বৌদ্ধ ধৰ্মাৱলম্বী টাই-ফাকে, আইটন, খামিয়াং, তুৰুং আদি মংগোলীয় গোষ্ঠীৰ লোকসকল। এওঁলোক উজনি অসমৰ সীমিত সংখ্যক জিলাতে সীমাবদ্ধ হৈ পৰে।

বহল অৰ্থত ক'বলৈ গ'লে, অসমৰ হিন্দু বৰ্ণৰ লোকসকল আৰু মুছলমানসকল ককেছীয় প্ৰজাতিৰ লোক। ভূমধ্যসাগৰীয় ককেছীয়ৰে এটা ভাগ। এওঁলোকৰ বৰণ কপিল, মূৰ দীঘলীয়া আৰু উচ্চতা মধ্যমীয়া। এই ধৰণৰ নৃতাত্ত্বিক উপাদান অসমীয়াৰ মাজত দেখা পোৱা যায়।

বহল মূৰৰ আলপাইন আৰ্মেণীয় ককেছীয়ৰ আন এটা ভাগ। এই প্ৰজাতিটো অসমীয়াৰ মাজত প্ৰৱেশ কৰে যদিও প্ৰকৃত আলপাইন-আৰ্মেণীয় প্ৰকাৰৰ প্ৰাধান্য অসমীয়া মানুহৰ মাজত বৰ কম।

ইণ্ডো-আৰ্যসকল দীৰ্ঘ-মস্তকী যদিও ওখ, জোঙা নাক আৰু বগা বৰণৰ নৃতাত্ত্বিক বৈশিষ্ট্যৰে ভূমধ্যসাগৰীয় ককেছীয় গোষ্ঠীৰ লগত এওঁলোকৰ পাৰ্থক্য আছে। বহুতো অসমীয়াৰ মাজত এই প্ৰজাতি দেখা পোৱা যায়।

অসমৰ বহুতো লোকৰ মাজত দেখা পোৱা মধ্যমীয়া মূৰ আৰু মধ্যমীয়া উচ্চতাৰ নৃতাত্ত্বিক উপাদন ককেছীয়ৰ আন এটা ভাগ ইৰাণোস্কাইথিয়ান বা ইৰাণ-চিমীমৰ বৈশিষ্ট্য।

গতিকে দেখা গৈছে যে, ককেছীয় প্ৰজাতিৰ বিভিন্ন প্ৰকাৰ যেনে— ভূমধ্যসাগৰীয়, আলপাইন-আৰ্মেণীয়, ইৰাণো-স্কাইথিয়ান আৰু ইণ্ডো-আৰ্য বিভিন্ন সময়ত অসমত প্ৰৱেশ কৰি অসমৰ মানুহৰ আৱয়ৱিক ৰূপ গঠনত নানান উপাদানৰ যোগান ধৰিছে।

বি এছ গুহৰ দৰে বহুকেইজন নৃতাত্ত্বিক পণ্ডিতৰ মতে নেগ্ৰিটো বা নিগ্ৰো

সকলেই ভাৰতৰ আদিম বাসিন্দা। জে এইছ হাটনেও একেই মত পোষণ কৰি কয় যে ক'লা বৰণ আৰু জুটুলা চুলিৰ (frizzly hair) নৃতাত্ত্বিক বৈশিষ্ট্যৰ নিগ্ৰোসকলেই ভাৰতৰ আদিম বাসিন্দা আৰু অসমৰ পৰ্বতীয়া অঞ্চলত বাস কৰা তথা এতিয়াৰ নগাৰাজ্যৰ একশ্ৰেণী নগাৰ মাজত জুটুলা চুলিৰ নেগ্ৰিটো বৈশিষ্ট্য লক্ষ্য কৰা যায়। কিন্তু এটা বৈশিষ্ট্যৰ ওপৰতেই নিৰ্ভৰ কৰি এইটো কথা ক'ব পৰা নাযায় যে নেগ্ৰিটো প্ৰজাতি ভাৰত বা অসমৰ জনজাতিৰ মাজত দেখা যায়। কিয়নো ই বিজ্ঞানসন্মত নহয়। তদুপৰি, পৰৱৰ্তী সময়ত বিভিন্ন বিজ্ঞানসন্মত নৃতাত্ত্বিক গৱেষণাত দেখা গৈছে যে নেগ্ৰিটো উপাদান অসমীয়া বা ভাৰতবৰ্ষৰ জনসমষ্টিৰ মাজত উপলব্ধ নহয়।

গতিকে নৃতাত্ত্বিক দিশৰ পৰা পৰ্যালোচনা কৰি চালে এটা সিদ্ধান্তত উপনীত হ'ব পৰা যায় যে বিভিন্ন সময়ত বিভিন্ন দিশৰ পৰা প্ৰৱেশ কৰা নৃগোষ্ঠীয় প্ৰজাতিয় উপাদানসমূহ অসমীয়া জাতিৰ মাজতো বিদ্যমান। অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত এই প্ৰজাতিসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অসমীয়া জাতিক সমৃদ্ধ কৰিছে।



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমক আগতে কামৰূপ আৰু প্ৰাগ্‌জ্যোতিষপুৰ বুলিহে কোৱা হৈছিল। 'অসম' নামটো আহোমসকলৰ ৰাজত্বৰ পিছতহে সম্ভৱপৰ হৈছে।
- 'প্ৰাগ্‌জ্যোতিষ' নামটো বৰ্ণনা পুৱণি কাব্য, মহাকাব্য, প্ৰাচীন ইতিহাস, ভ্ৰমণকাৰীৰ টোকা, প্ৰত্নতাত্ত্বিক নিদৰ্শন আদিৰ পৰা বিভিন্ন প্ৰকাৰে পোৱা যায়।
- ভাৰতীয় কিংবদন্তি মতে মহাদেৱৰ ক্ৰোধানলত ভস্ম হৈ এইখন দেশতে কাম ভাৱৰ অধিপতি দেৱতা কামদেৱে পুনৰ জীৱন লাভ কৰা আখ্যানৰ ভিত্তিত ৰাজ্যখনৰ নাম 'কামৰূপ' হ'ল।
- অসম ব্ৰিটিছৰ অধীনলৈ যোৱাৰ পিছৰপৰা এই ভূমিখণ্ডক 'অসম' আৰু ইয়াত বাস কৰা অধিবাসীসকলক 'অসমীয়া' বোলা হ'ল।
- অসমত বহু জনগোষ্ঠীৰ সংমিশ্ৰণৰ ফলতেই এটি বৃহৎ অসমীয়া জাতিৰ সৃষ্টি হৈছিল।
- আৱয়ৱিক বৈশিষ্ট্য আৰু গাৰ বৰণৰ ভেটিত পৃথিৱীৰ মানুহক ককেছীয়, মংগোলীয়, নেগ্ৰিটো আৰু অষ্ট্ৰেলীয় এই চাৰিটা প্ৰধান নৃ-গোষ্ঠীত বিভক্ত কৰা হৈছে।
- নৃতাত্ত্বিক দৃষ্টিৰে লক্ষ্য কৰিলে অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অষ্ট্ৰেলীয়, মংগোলীয় আৰু ককেছীয় এই তিনি মুখ্য প্ৰজাতিৰ লোকে অংশগ্ৰহণ কৰিছে।



১.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) খাৰঘৰীয়া, যুগল (সম্পা), (২০০৯); *অসমীয়া জনপ্ৰবাহৰ সংস্কৃতি;* শিৱসাগৰ ঃ জয়সাগৰ সাহিত্য সভা ।

২) গগৈ, লীলা, (২০০৬); *অসমৰ সংস্কৃতি;* ডিব্ৰুগড় ঃ বনলতা।

৩) ডেকা, নমিতা (সম্পাঃ), (২০০৭); *অসম দৰ্পণ;* গুৱাহাটী ঃ বাণী মন্দিৰ।

৪) দেৱ চৌধুৰী, ৰঘুনাথ; *প্ৰাচীন কামৰূপৰ বুৰঞ্জী;* ডিব্ৰুগড় ঃ বাণী মন্দিৰ।

৫) ৰাজবংশী, পৰমানন্দ (সম্পাঃ), (২০০৩); *অসমীয়া জাতি আৰু সংস্কৃতি;* গুৱাহাটী ঃ অসমীয়া বিভাগ, প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়।

৬) সিং, মনজিৎ আৰু নাথ, সুৰেশ কুমাৰ (সম্পাঃ), (২০০৯); *সাহিত্য সংস্কৃতি আৰু অন্যান্য প্ৰসঙ্গ;* গুৱাহাটী ঃ আপ্লুকাছ (Association of Past and Present Office - Bearers of Cotton College Union Society - APPOCCUS)।

ইংৰাজী গ্ৰন্থ ঃ

৭) Das, B. M. (2003). *The People of Assam- Origin and Composition.* New Delhi: Gyan Publishing House.

৮) Das, M.M. (1994). *Ethnic Elements in North East India. In : Bulletia of the Department of Anthropology,* Dibrugarh University. Vol. 22 pg 1-12. Dibrugarh: Registrar, Dibrugarh University.



১.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অষ্ট্ৰিক (খ) পেৰিপ্লাছ
(গ) হিউ-ৱেন-চাঙে (ঘ) আহোম

২ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ (ঘ) শুদ্ধ।



১.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) অসমৰ পৌৰাণিক নাম কি আছিল?

(খ) অৰুণাচল প্ৰদেশ কোন চনত পূৰ্ণ পৰ্যায়ৰ ৰাজ্য হিচাপে স্বীকৃত হয়?

(গ) অসমৰ চাহ বাগিচাৰ বনুৱাসকল কোন নৃ-গোষ্ঠীয় প্ৰজাতিৰ অন্তৰ্গত?

(ঘ) পৃথিৱীৰ মানুহক কেইটা প্ৰধান নৃ-গোষ্ঠীত বিভক্ত কৰা হৈছে আৰু কি কি?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ 'অসম' নামৰ উৎপত্তি সম্বন্ধে এটি চমু টোকা লিখক।

প্ৰশ্ন ২ ঃ বৰ্তমান অসমৰ ভৌগোলিক অৱস্থান সম্পৰ্কে চমুকৈ উল্লেখ কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ প্ৰাগ্‌জ্যোতিষপুৰ, কামৰূপ আৰু অসম নামৰ উৎপত্তি সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ২ ঃ ভাৰতীয় মানুহৰ মাজত থকা নৃ-গোষ্ঠীয় প্ৰজাতিসমূহ কি কি? ইয়াৰ আধাৰত অসমৰ জাতি-জনজাতিৰ এটি নৃতাত্ত্বিক বিশ্লেষণ আগ বঢ়াওক।

*** ***** ***